# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-APR-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

১। সংসদত নাৰী শক্তি বন্দন অধিনিয়মকে ধৰি তিনিখনকৈ গুৰুত্বপূৰ্ণ বিধেয়কক লৈ আলোচনা।

২। সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ছুগ্ৰা মিছাৰা আৰু ইবাকু বিছুৰ দৰে বিভিন্ন বসন্তকালীন উৎসৱ উদযাপন।

৩। অসমৰ তিনিগৰাকী নৱনিৰ্বাচিত সাংসদসহ দেশৰ আঠগৰাকী সাংসদৰ ৰাজ্যসভাৰ সদস্যৰূপে শপতগ্ৰহণ।

**আৰু**

৪। চলিত বৰ্ষৰ হজযাত্ৰা পৰহিলৈৰ পৰা আৰম্ভ হ'ব বুলি উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিৰ ঘোষণা।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ সৈতে দেশৰ ৫০ শতাংশ জনসংখ্যাক জড়িত কৰাত গুৰুত্ব আৰোপ কৰিছে। লোকসভাত আজি নাৰী শক্তি বন্দন অধিনিয়ম সম্পৰ্কীয় বিধেয়ককেইখন সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে মহিলাসকলক দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকক নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ উচিত প্ৰতিনিধিত্ব প্ৰদান কৰাটো সময়ৰ আহ্বান হৈ পৰিছে।

শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণ আৰু গণতন্ত্ৰৰ বাবে লাভদায়ক বিধেয়ককেইখনক লৈ ৰাজনৈতিক ৰহন সনাৰ পৰা বিৰত থাকিবলৈ বিৰোধী দলসমূহৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে বৰ্তমান যিসকলে এই বিধেয়কৰ বিৰোধিতা কৰিব, ভৱিষ্যতে তেওঁলোকে ইয়াৰ ফল ভোগ কৰিব লাগিব। শ্ৰীমোদীয়ে কয়, যে এই বিধেয়ককেইখনে আমাৰ দেশৰ গণতন্ত্ৰৰ দিশ নিৰ্ণয় আৰু ভৱিষ্যত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ কয়, যে দেশৰ উন্নয়ন কেৱল আন্তঃগাঁথনি, ৰে'লৱে বা অৰ্থনীতিতে সীমাবদ্ধ নহয়, বৰং এই প্ৰক্ৰিয়াত মহিলাৰ সম অংশগ্ৰহণো প্ৰয়োজনীয়। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত সবকা সাথ সবকা বিকাশ মনোভাৱেৰে কাম কৰি বিচাৰে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

বিধেয়ককেইখন উত্থাপন কৰি আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজিৰ দিনটোক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে। তেওঁ লগতে কয় যে সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ য়ে মহিলাৰ বাবে সমতা সুনিশ্চিত কৰিব। ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয় যে মহিলাৰ প্ৰগতিৰ মাজেৰে সমাজৰ প্ৰগতি পৰিস্ফুট হয়। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষনৰ এয়াই উপযুক্ত সময় বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহিলাৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে ভালেমান আঁচনি প্ৰৱৰ্তন কৰিছে। তেওঁ এই সন্দৰ্ভত মুদ্ৰা যোজনা, লাখপতি বাইদেউ আৰু সুকন্যা সমৃদ্ধি যোজনাৰ দৰে আঁচনিৰ উদাহৰণ দিয়ে। বিধেয়ককেইখন সন্দৰ্ভত বিৰোধী পক্ষৰ হৈ আলোচনাৰ পাতনি মেলি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে তেওঁৰ দল মহিলাৰ বাবে আসন সংৰক্ষণৰ পক্ষপাতি যদিও এই প্ৰক্ৰিয়া সৰল হ'ব লাগে আৰু ইয়াৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে কোনোধৰণে জড়িত কৰিব নালাগে। লোকসভাত

বৰ্তমানৰ ৫৪৩ খন আসনৰ ভিত্তিত আসন সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে বুলি তেওঁ দাবী জনায়। তেওঁ লগতে চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ ক্ষেত্ৰত অযথা বিলম্ব ঘটাইছে। এই ব্যৱস্থা শীঘ্ৰে ৰূপায়ণ কৰিবলৈ চৰকাৰৰ প্ৰতি তেওঁ আহ্বান জনায়। শ্ৰীগগৈয়ে কয় যে কংগ্ৰেছে সদায় মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰি আহিছে। তেওঁ কয় যে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে মহিলাৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰি ইতিপূৰ্বে সদনত অনুৰূপ দাবী উত্থাপন কৰিছে।

আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী দলৰ সাংসদ অখিলেশ যাদৱে কয় যে তেওঁৰ দলে মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰে। অৱশ্যে সাংসদগৰাকীয়ে দেশৰ বাবে গুৰুত্বপূৰ্ণ বিধেয়ককেইখন উত্থাপন কৰাক লৈ চৰকাৰক প্ৰশ্ন কৰে।

০০০০০

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হৈছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ ব্যাপক সমাগম হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হয়। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশিস লয়। উজনি মাজুলীৰ এলেঙী টকৌবাৰী সত্ৰৰ ডেকা সত্ৰীয়া পদুম কুমাৰ মহন্তই সত্ৰত আজি আয়োজিত গোসাঁই বিহু সন্দৰ্ভত এইদৰে কয়—

**বাইট (পদুম কুমাৰ মহন্ত)**

ইফালে, ৰাজ্যজুৰি ব'হাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেঁপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

০০০০০

তিৱা জনগোষ্ঠীৰ বসন্তকালীন উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু কালিৰে পৰা পালন কৰা হৈছে। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পাছৰটো বুধবাৰৰ পৰা জনগোষ্ঠী দুটাই পৰম্পৰাগতভাৱে এই বসন্তকালীন উৎসৱ পালন কৰি আহিছে।

ছগ্ৰা মিছাৱা তিৱাসকলৰ কৃষিভিত্তিক উৎসৱ। ইয়াত ছগ্ৰা মানে **সকলো** আৰু মিছাৱাৰ অৰ্থ হৈছে **সামূহিক নৃত্য**। কৃষিকাৰ্য আৰম্ভ কৰাৰ পূৰ্বে জনগোষ্ঠীটোৱে আই বসুমতীৰ আশীৰ্বাদ কামনা কৰি পৰম্পৰাগতভাৱে এই উৎসৱ পালন কৰি আহিছে। অৱশ্যে জনগোষ্ঠীটোৰ বিভিন্ন গাঁৱত ইয়াৰ পালন ৰীতিৰ কিঞ্চিৎ ভিন্নতা দেখা যায়।

টিংখং সমষ্টিৰ চহৰীকাটা গাঁৱত সোণোৱাল কছাৰীৰ লোকসকলে ঘৰে ঘৰে পৰম্পৰাগত হাইদাং হুঁচৰি পৰিৱেশন কৰে। পৰম্পৰা অনুসৰি গৃহস্থৰ চোতালৰ এটা খুঁটাত এডাল বাঁহ থৈ বিহুৱাসকলে হাতে হাতে লাঠীৰে বাঁহডালত কোবাই পেঁপা, ঢোল বজাই এই হুঁচৰি পৰিৱেশন কৰে।

দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও কালিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। দেওঘৰত কালি এই উপলক্ষে বিশেষ উপাসনা কৰা হয়। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক গীত, লোক নৃত্য পৰিৱেশন কৰে। সাদিনীয়া বিছু উৎসৱ পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

কাৰ্বি আংলং জিলাৰ উমছুৱাইৰ আমছং পিনুঙত অহা ২২ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তিৱা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ লুখুমী য়াংলি অৰ্থাৎ লখিমী আদৰা উৎসৱ পালন কৰা হ'ব। প্ৰতি ৫ বছৰ মূৰে মূৰে এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱৰ বাবে ইতিমধ্যে গাঁওবাসীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে।

০০০০০

অসমৰ তিনিগৰাকী নৱনিৰ্বাচিত সাংসদসহ দেশৰ আঠগৰাকী সাংসদে আজি ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। মাহমৰাৰ প্ৰাক্তন বিধায়ক যোগেন মহনে পৰম্পৰাগত সাজ পৰিধান কৰি ৰাজ্যসভাৰ সাংসদ হিচাপে শপত লয়। ইউ পি পি এলৰ নেতা প্ৰমোদ বড়োৱে বড়ো ভাষাত আৰু তেৰছ গোৱালাই অসমীয়া ভাষাত  শপত লয়। ইয়াৰ লগতে বিহাৰৰ পাঁচগৰাকী সাংসদে শপত গ্ৰহণ কৰে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আটাইকেইগৰাকী সাংসদক শপতবাক্য পাঠ কৰোৱায়।

00000

চলিত বৰ্ষৰ হজযাত্ৰা পৰহিলৈৰ পৰা আৰম্ভ হ'ব বুলি আজি উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে ঘোষণা কৰিছে। অসমসহ উত্তৰ পূৰ্বাঞ্চলত মুঠ দুহেজাৰ ৫৬৯ গৰাকী হজযাত্ৰীয়ে হজযাত্ৰাৰ বাবে ৰাওনা হ'ব। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা যাত্ৰী আছে। উত্তৰ-পূব হজ যাত্ৰী অভ্যৰ্থনাৰ সভাপতি নেকিবুৰ জামানে গুৱাহাটীত আয়োজিত এখন সংবাদমেলত কয় যে ১৮ এপ্ৰিলৰ পৰা ২১ এপ্ৰিললৈকে পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকল গুৱাহাটী বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। হজযাত্ৰীসকলৰ মংগলৰ বাবে কাইলৈ সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

**(বাইট)**

00000

দেশত লোকপিয়ল-২০২৭ৰ কাম চলি আছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আজিৰে পৰা ঘৰৰ তালিকা প্ৰস্তুতৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, গোৱা, কৰ্ণাটক, লাক্ষাদ্বীপ, মিজোৰাম, ওড়িশা, ছিকিম আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নতুন দিল্লী পৌৰনিগম আৰু দিল্লী ছাউনী পৰিষদৰ অধীনৰ ঠাইসমূহত  তালিকা প্ৰস্তুতৰ কাম চলি আছে। ১৫ মে'লৈ চলিবলগীয়া এই প্ৰক্ৰিয়াৰ সময়ত প্ৰশিক্ষিত গণনাকাৰীসকলে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰৰ লোকপিয়লত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা স্ব-গণনাৰ বিকল্পৰ প্ৰতি জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ দেখা গৈছে। এই বিকল্পৰ অধীনত প্ৰায় ১২ লাখ পৰিয়ালে অনলাইন ব্যৱস্থাৰে তথ্য দাখিল কৰিছে। স্ব-গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা লোকসকলক স্বগণনাৰ পৰিচয়পত্ৰ সাজু ৰাখিবলৈ আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত গণনাকাৰীসকলক পৰিচয় পত্ৰ দেখুৱাবলৈ পৰামৰ্শ দিয়া হৈছে। এই বিকল্প বাছনি নকৰাসকলক ভৌতিক গণনা প্ৰক্ৰিয়াৰে সামৰি লোৱা হ'ব। নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈ থকাৰ বাবে অসম, পশ্চিম বংগ, পুডুচেৰী, তামিলনাডু আৰু কেৰলমত লোকপিয়লৰ কাম এতিয়াও আৰম্ভ হোৱা নাই।

লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

00000

সমাপ্ত